শ্লিপখন লৈ আকৌ লিফটলৈ ঘূৰি আহিলোঁ। চতুৰ্থ মহলাৰপৰা নামি আহোঁতে প্ৰত্যেকটো ফ্ল'ৰতেই লিফটটো ৰৈছিল। প্ৰত্যেকবাৰতে বাহিৰলৈ চাওঁতে মনটোৱে এনেয়ে বিচাৰিছিল—সেই দেউতাক আৰু তেওঁ আবদাৰ ধৰা ল'ৰাটোক দেখোঁ নেকি? নাই নেদেখিলোঁ।

ফাৰ্মেছিখনত শ্লিপখন দি ঔষধখিনি ল'লোঁ। আকৌ ওপৰলৈ গৈ আই ছি ইউৰ সন্মুখৰপৰা ভিতৰৰ নাৰ্ছগৰাকীক মাতি ঔষধখিনি চমজাই দি পুনৰাই তললৈ নামি আহিলোঁ 'এটেণ্ডেণ্ট'ৰ আছুতীয়া কোঠাটোলৈ বুলি। এই কোঠাটোৰপৰা ফাৰ্মেছিখনৰ লগতে দেখা পায় মূল দ্বাৰখন আৰু আইনাৰ মাজেদি নাৰ্ছিংহোমখনলৈ অহা-যোৱা কৰা মানুহবোৰ। এইবাৰ চকুত পৰিল দ্বিতীয় শাৰীৰ প্ৰথমতেই বহি আছে অলপ আগতে ফাৰ্মেছিত মই মন কৰা মানুহজন আৰু কাষতে ল'ৰাটো। তেওঁৰ হাতত এখন আলোচনী আৰু কাষৰ চকীখনত ল'ৰাটো—বেচ শান্ত ৰূপত। কাষতেই চকী এখন খালী থকাত ময়ো গৈ বহিলোঁগৈ সেইখন চকীতেই, কিবা এক জনাৰ তাড়নাত।

মনটোৱে পাকঘূৰণি খাই ওভতনি যাত্ৰাৰে বৈ গ'ল কলেজীয়া জীৱনৰ আৰম্ভণিত। মেট্ৰিক পাছ কৰাৰ পাছতেই মোক গুৱাহাটীৰ এখন কলেজত নাম লগাই হোষ্টেলতে থৈছিল। তাতো কিন্তু ধনী ঘৰৰ ল'ৰাবিলাকৰ আদব-কায়দা দেখি মনটো লালায়িত হৈছিল ধনৰ প্ৰতি। আমি অৱশ্যে সমকক্ষকেইজনৰ মাজতেই ঘূৰা-মেলা, খোৱা, ছিনেমা চোৱাৰ লগতে শৈক্ষিক আলোচনাসমূহত সীমাবদ্ধ ৰাখিছিলোঁ। তাতো কিন্তু এবছৰৰ ছিনিয়ৰ হওঁতেই ৰেগিঙৰ জৰিয়তে প্ৰতিফলন ঘটিছিল পইচাৰ প্ৰতি দুৰ্বল মোৰ মনটোৰ। প্ৰথম দিনা নতুন ল'ৰাবোৰ ক্লাছলৈ যাবলৈ ওলাওঁতেই হোষ্টেলৰ বাৰাণ্ডাত থাল এখনত সেন্দূৰ লৈ ৰৈ আছিলোঁ নৱাগতৰ কপালত দিবলৈ ফোঁট, লগতে অবাইচ মন্ত্ৰ—বিনিময়ত থালখনত পইচা। কিছুমানৰ অভিভাৱকো ল'ৰাৰ কলেজৰ প্ৰথম দিন বুলি নাতি দূৰৈত থিয় হৈ আছিল যদিও ভ্ৰূক্ষেপেই কৰা নাছিলোঁ তেওঁবিলাকলৈ। সেই পইচাৰেই যোগাৰ হৈছিল দুখনকৈ ছিনেমাৰ টিকেট, চাহ-নাস্তা। তাৰ পাছত শিক্ষাৰ সমাপ্তিলৈকে কোনো লোৱাৰ অভিজ্ঞতাই নাছিল। কিন্তু স্নাতক বৰ্ষৰ কোনোবাটো বছৰত মুখামুখি হৈছিলোঁ দিয়াৰ অভিজ্ঞতাৰে। বৃত্তি সম্পৰ্কীয় এটা খেলিমেলি দূৰ কৰিবলৈ উচ্চ শিক্ষাৰ কাৰ্যালয়টোলৈ গৈ অৰ্পণ কৰিছিলোঁ উৎকোচ। প্ৰথমবাৰৰ বাবে। কাৰ্যালয় কক্ষৰ বাহিৰত। বাথৰুমত।

ছেলফোনৰ ৰিংট'ন এটা বাজি উঠিল। অভ্যাসবশতঃ হাতখনে ফোনটো থকা পকেটখন চুই চালে। নাই মোৰ নহয়। দেখিলোঁ কাষৰ মানুহজনে ফোনটো উলিয়াই কাণৰ কাষত লৈ উচ্চাৰণ কৰিলে—'কওক', ল'ৰাটো চেয়াৰখনতে হেলনীয়াকৈ টোপনি গৈছে। কিয় জানো, মোৰ কাণ দুখন সক্ৰিয় হৈ উঠিল ফোনত সিফালৰপৰা অহা কথাখিনিৰ কিবাকিবি শুনিবলৈ পোৱাৰ আশাত।

দীঘলীয়াকৈ সিটো মূৰৰপৰা কিবা এটা অনুৰোধৰ সুৰ।

"নাই, মই নোৱাৰিম। আপোনাক কৈছোঁৱেই। নোটটো আপোনাক মই যেনেকৈ কৈছোঁ তেনেকৈয়ে দিম। মহন্ত ছাৰে যদি নিজাববীয়াকৈ আপোনাৰ ফেভাৰত কিবা কৰি দিয়ে, মোৰ ক'বলগীয়া একো নাই।"

"আপোনাক এবাৰ ঘৰত লগ কৰিব খুজিছিলোঁ। আজি আবেলি যাম নেকি?" এইবাৰ স্পষ্টকৈ মোৰ কাণত পৰিল সিফালৰ কণ্ঠ।

"নালাগে, নালাগে, অফিছতেই লগ পাব। মিছেছৰ কিবা এটা অসুখ সংক্ৰান্তত মই আজি ছুটী লৈছোঁ। কাইলৈ-পৰহিলৈ বন্ধ। সোমবাৰে কিবা থাকিলে অফিছতেই মোক লগ ধৰিব। মোক লগ নাপালেও কোনো কথা নাই। মহন্ত ছাৰলৈ ফাইলটো মই সোমবাৰে ৰাতিপুৱাই পঠাই দিম।"

... সিফালৰপৰা কি ক'লে মই নুশুনিলোঁ।

"নাই, নালাগে, হ'ব। এতিয়ালৈকে মোৰ কোনো সমস্যা হোৱা নাই।" মানুহজনৰ স্পষ্ট আৰু আত্মবিশ্বাসী কণ্ঠস্বৰ, য'ত নিহিত হৈ আছিল কথোপকথনৰ সমাপ্তিসূচক তথা প্ৰশ্ৰয় নিদিয়াৰ সুৰ। ফোনটো কাণৰ কাষৰপৰা আনি এবাৰ চকুৰে চাই নিৰ্দিষ্ট বুতামটো টিপি পকেটত ভৰাই থ'লে আৰু পুনৰাই আলোচনীখন মেলি ল'লে।

বুজা-নুবুজাৰ মনোভাবৰ মাজেৰে পুনৰাই মনলৈ আহিল পঢ়াশুনা শেষৰ পাছত চাকৰিত সোমোৱা আৰম্ভণিৰ দিনবোৰৰপৰা শেষৰ দিনলৈকে কথাবোৰ—ঘৰত লগ কৰিব খোজাসকল। ক'ব নোৱাৰাকৈ ভাল লগা হৈছিল যেতিয়া অফিছৰ টেবুলৰ সন্মুখত থিয় হৈ থকাজনেই হওক অথবা বহি থকাজনেই হওক ইংগিতপূৰ্ণভাৱে কথাষাৰ কৈছিল—"বৰুৱা দা, ইয়াত অলপ দিগদাৰি, আপুনি নোটটো লিখি ফাইলটো আগবঢ়াই দিয়ক, মই আবেলিলৈ নহ'লে গধূলি আপোনাৰ ঘৰলৈ গৈ লগ ধৰি আছোঁ। আপুনিতো গধূলি আঠমান বজাত ঘৰত থাকেই।"

"হ'ব হ'ব, পাছবেলালৈ মই গমেই পাই যাম। আবেলি আপোনাক লগ পালে মই ৰিজাল্টটো দিয়েই দিব পাৰিম।" সম্ভাব্য আত্মসমৰ্পণ আছিল সেয়া উৎকোচৰ ওপৰত। অৱশ্যে লগ নকৰালৈকে খুব কমেইহে মই মোৰ ওচৰৰপৰা ফাইলবোৰ এৰি দিছিলোঁ।

স্নাতকোত্তৰ হোৱাৰ পাছতেই অ'ত-ত'ত চাকৰিৰ কাৰণে এটা-দুটা ইণ্টাৰভিউ দি আছিলোঁ। য'ৰপৰা মই অৱসৰ ল'লোঁ সেই সমাজ কল্যাণ বিভাগৰ চাকৰিটো পাইছিলোঁ বিভাগীয় মন্ত্ৰী তথা মুৰব্বীজনৰ লগত মোৰ অভিযন্তা খুৰাৰ সুসম্পৰ্কৰ যহত। দেউতাৰ আদৰ্শৰ বিপৰীতে খুৰা আছিল মোৰ দৃষ্টিত দূৰদৰ্শী। আনহাতে বহুতৰ কাৰণে তেওঁ সুযোগসন্ধানী, স্বাৰ্থপৰ আৰু লোভী। যিয়েই নহওক সেইবোৰে মোক নাপাইছিল। চাকৰিটো পাওঁতে প্ৰত্যক্ষভাৱে কোনো উৎকোচ দিব লগা নহ'লেও পৰোক্ষভাৱে মোটা অংকৰ ধন মই খৰচ কৰিব লগীয়া হৈছিল ইজন-সিজনক দিওঁতে। ইণ্টাৰভিউৰ খবৰ ওলোৱাৰ পাছত দিছপুৰৰ সংশ্লিষ্ট কাৰ্যালয়টোৰপৰা মোৰ পছন্দৰ এই চহৰখনৰ অফিছটোতেই চাকৰিৰ নিযুক্তিপত্ৰখন হাতত পৰালৈকে। পিয়নটোৰপৰা বিভাগীয় মুৰব্বীজনৰ তলৰ বিষয়াজনলৈকে দিবলগীয়া হৈছিল উৎকোচ। অৱশ্যেই সেই ধনখিনি মই গোটাইছিলোঁ চাকৰি নথকা সময়খিনিত এটা চৰকাৰী বিভাগত মোৰেই সম্বন্ধীয় এজনৰ সৈতে লগ লাগি সেই বিভাগৰে ছিক্সটি-ফৰটি ব্যৱস্থাত কৰা ঠিকাৰ এটা বন্দৰস্তিৰ জৰিয়তে। ঠিকাৰ কাৰণে যাৱতীয় মূলধন অলপ উচ্চ হাৰৰ সুতত যোগাৰ কৰিছিলোঁ।

কিলাকুটিত কিহবাৰ স্পৰ্শত লাহেকৈ সোঁফালে চালোঁ। দেখিলোঁ ল'ৰাটোৱে এঙামুৰি কাঢ়োঁতে হাতখন আহি মোৰ কিলাকুটিত লাগিছে। সেইফালে চাওঁতেই চকুৰে চকুৰে পৰিল দেউতাকৰ লগত।

"কোনোবা আছে?" মোৰ প্ৰশ্ন।

"হয়, মোৰ মিছেছ।" তেওঁৰ উত্তৰ।

"কিবা অসুখ নেকি?"

"এডভান্স ষ্টেজ। চেক আপৰ কাৰণে আহিছিলোঁ। কিবা এটা টেষ্ট লাগিব হেনো। সময় লাগিব বুলি কৈছে। সেয়েহে ৰৈছোঁ।"

"অ', আচ্ছা। ঘৰ ইয়াতেই নে আপোনাৰ?" উত্তৰত তেওঁ যিখিনি ঠাইৰ নাম ক'লে গম পাওঁ যে অইন ঠাইৰপৰা আহি এই চহৰত থিতাপি লোৱা মানুহৰদ্বাৰা সেই অঞ্চলত এটা নতুন আবাসিক কলনি গঢ়ি উঠিছে।

"আপোনাৰ চাকৰি নে অইন কিবা?" অলপ দীঘলীয়া সুৰ দি পুনৰাই তেওঁৰ প্ৰতি মোৰ প্ৰশ্ন।

"চাকৰি কৰোঁ। ডি আৰ ডি এত। মই মৃণাল কটকী। ইয়ালৈ অহা মোৰ তিনি বছৰমান হ'ল।" গহীন-গম্ভীৰ উত্তৰটোত কিবা এটা কৰ্তৃত্ব মিহলি সুৰ থকা যেন লাগিল।

"মই নীৰেন বৰুৱা।"

অ' বুলি শলাগি পুনৰাই তেওঁ আলোচনীখনৰ পাত লুটিওৱাত মই আৰু কথা আগবঢ়োৱাৰ সুযোগ নাপালোঁ বা তেওঁ নিদিলে। ল'ৰাটো ইতিমধ্যে পুনৰাই টোপনি গৈছিল।